بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

# খোদাৰ তৌহিদৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ ঈমান উদ্দীপক ঘটনাসমূহৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ্ আল-খামিছ (আইঃ)য়ে ২৭ ফেব্ৰুৱাৰী ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে সকলো নবী তৌহিদ প্ৰতিষ্ঠা কৰিবলৈ পৃথিৱীত আগমন কৰিছিল, আৰু তেখেতসকলে নিজৰ জাতিক একত্ববাদৰ শিক্ষা দিছিল। আঁহজৰত (ছাঃ)য়েও এই পয়গাম অব্যাহত ৰখাৰ বাবে আগমন কৰিছিল। তেখেত (ছাঃ)য়ে শ্বিৰকৰ বিৰুদ্ধে যুক্তি অবিহনে জেহাদ কৰা নাছিল, বৰঞ্চ শ্বিৰকৰ ক্ৰটিমসূহৰ বিষয়ে বুজাই ইয়াৰ প্ৰতি লোকসকলৰ মাজত ঘৃণা জন্মাইছিল। তেখেত (ছাঃ)ৰ এই শিক্ষা যিয়ে তেখেত (ছাঃ)ৰ অনুগামীসকলৰ মাজত প্ৰভাৱ পেলাইছিল, এই বাবেই এই শিক্ষা সম্পূৰ্ণভাৱে প্ৰভাৱ বিস্তাৰ লাভ কৰিছিল, কাৰণ তেখেত (ছাঃ)ৰ প্ৰতিটো কথা আৰু কৰ্ম সত্যৰ প্ৰতিচ্ছবি আছিল। তেখেত (ছাঃ)য়ে এই চিন্তাত মগ্ন আছিল যে আন আন জাতিবোৰে যিদৰে নবীসকলক ছিজদাহ কৰাৰ স্থান হিচাপে মানি লৈছিল, এনেকুৱা ভয়ানক পাপ যেন মুছলমান উম্মতৰ মাজত সৃষ্টি নহয়। কোৰআন কৰিমে বাৰে বাৰে বিভিন্ন দিশৰ পৰা তৌহিদৰ শিক্ষা দিছে,

যিদৰে আল্লাহ তা'লাই কৈছে,

**ওৱা মা আৰছালনা মিন কাবলিকা মিৰ ৰাছুলিন ইল্লা নুহি ইলায়হি আন্নাহু লা ইলাহা ইল্লা আনা ফা'বুদুন।**

অৰ্থাৎ আমি তোমাৰ আগতে যিমান পয়গম্বৰ প্ৰেৰণ কৰিছোঁ তেওঁলোকৰ সকলোৰে প্ৰতি ওহী অৱতীৰ্ণ কৰিছিলোঁ যে মোৰ বাহিৰে আন কোনো উপাস্য নাই, গতিকে কেৱল মোৰেই উপাসনা কৰা।

কোৰআন কৰিমৰ শেষত আল্লাহ তা'লাই নিজৰ একত্ববাদৰ ঘোষণা কৰি কৈছে,

**কুল হুৱাল্লাহু আহাদ, আল্লাহুচ্ছামাদ, লাম ইয়ালিদ ওৱা লাম ইউলাদ, ওৱা লাম ইয়া কুল্লাহু কুফুআন আহাদ**

তুমি কোৱা, আল্লাহ এক, আল্লাহৰ কাৰো ওপৰত নিৰ্ভৰশীল নহয়। সেইজনাই কাকো জন্ম দিয়া নাই আৰু সেইজনাকো কাৰো দ্বাৰা জন্ম দিয়া হোৱা নাই। সেইজনাৰ কোনো সংগী নাই। আল্লাহ তা'লাই ইয়াত সকলো প্ৰকাৰ শ্বিৰক খণ্ডন কৰি ঘোষণা কৰিছে। আঁহজৰত (ছাঃ)ৰ প্ৰকৃতি ইমানেই পৱিত্ৰ আছিল যে তৌহিদৰ প্ৰতি ভালপোৱা তেখেত (ছাঃ)ৰ প্ৰতিটো শিৰাত সোমাই পৰিছিল।

হুজুৰ কৈছে যে আঁহজৰত (ছাঃ)ৰ জীৱনীৰ কিছুমান ঘটনা উল্লেখ কৰিম,
হজৰত উম্মে আয়মন (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে বাৱানা নামৰ এটা মূৰ্তি আছিল, কুৰাইছসকলে ইয়াক বৰ সন্মান কৰিছিল। তাৰ সন্মুখত উপস্থিত হৈছিল। আবু তালিবেও তাতে নিজৰ জাতিৰ সৈতে গৈছিল, ৰছুলে কৰিম (ছাঃ)কো লগতে লৈ যাব বিচাৰিছিল, কিন্তু তেখেত (ছাঃ)য়ে যাবলৈ অস্বীকাৰ কৰিছিল। এবাৰ নিজৰ পেহীয়ে জোৰ দিয়াত তেখেত (ছাঃ)তালৈ গৈছিল আৰু অতি ভীতিগ্ৰস্ত হৈ তাৰ পৰা উভতি আহি কৈছিল যে মই তাতে এটা অদ্ভুত দৃশ্য দেখা পাইছো। যেতিয়াই মই সেই মূৰ্তিৰ ওচৰ চাপিছিলো, তেতিয়া বগা কাপোৰ পৰিধান কৰা এজন ব্যক্তিয়ে চিঞৰি কৈছিল যে হে মহম্মদ (ছাঃ) পিছুৱাই যোৱা, আৰু সেই মূৰ্তিটোক স্পৰ্শ নকৰিবা।

নবী হোৱাৰ আগতেই এক খোদাৰ উপাসনাৰ বাবে তেখেত (ছাঃ)য়ে হিৰা নামৰ পৰ্বতলৈ গৈছিল, যিখন মক্কাৰ পৰা তিনি মাইল দূৰত অৱস্থিত। আজিকালি সেইটোক জাবল নুৰ (আলোকিত পাহাৰ) বুলি কোৱা হয়। নবী কৰিম (ছাঃ)যেতিয়া ৪০ বছৰ বয়সত উপনীত হৈছিল। এদিনাখন জিব্ৰাইল (আঃ) আহি নবী কৰিম (ছাঃ)ৰ ওপৰত প্ৰথম ওহী অৱতীৰ্ণ কৰিছিল। প্ৰথম ওহী অৱতীৰ্ণৰ পিছৰে পৰা তেখেত (ছাঃ)য়ে লোকসকলক এক খোদাৰ ফালে আহ্বান কৰিবলৈ আৰম্ভ কৰিছিল, যিটো শিক্ষা আছিল শ্বিৰকৰ সম্পূৰ্ণ বিৰোধী।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আমাৰ নবী কৰিম (ছাঃ)য়ে সততা প্ৰকাশকাৰীৰ মাজত এজন মহান সংস্কাৰক আছিল, তেখেতে হেৰাই যোৱা সততাক পুনৰাই পৃথিৱীত লৈ আহিছিল। এই গৌৰৱত আমাৰ নবী কৰিম (ছাঃ)ৰ লগত আন কোনো নবী অন্তৰ্ভুক্ত হ'ব নোৱাৰে। তেখেত (ছাঃ)য়ে গোটেই পৃথিৱীক অন্ধকাৰত পাইছিল, আৰু তেখেত (ছাঃ)ৰ আগমনৰ ফলত সেই অন্ধকাৰ পোহৰলৈ ৰূপান্তৰিত হৈছিল। যি জাতিত তেখেত (ছাঃ)য়ে আগমন কৰিছিল, সেই জাতি যেতিয়ালৈকে শ্বিৰকৰ চোলা খুলি তৌহিদৰ চোলা পৰিধান কৰা নাছিল, তেতিয়ালৈকে তেখেত (ছাঃ)ৰ মৃত্যু হোৱা নাছিল। কেৱল ইমানেই নহয়, বৰঞ্চ সেই লোকসকলৰ ঈমান উচ্চ পৰ্যায়ত উপনীত হৈছিল, আৰু সেই সততা, সহানুভূতি আৰু বিশ্বাস এনেদৰে প্ৰকাশ পাইছিল যাৰ দৃষ্টান্ত পৃথিৱীৰ কোনো প্ৰান্ততেই পোৱা নাযায়। এনে ধৰণৰ সন্মানজনক সফলতা আঁহজৰত (ছাঃ)ৰ বাহিৰে আন কোনো নবীৰ মাজত পোৱা নাযায়। তেখেত (ছাঃ)ৰ নবুয়তৰ এইটোৱেই হৈছে প্ৰমাণ যে তেখেত (ছাঃ)য়ে এনে যুগত আগমন হৈছিল, যেতিয়া যুগ অতি গভীৰ অন্ধকাৰত উপনীত হৈছিল। তেখেত (ছাঃ)য়ে এনে সময়ত মৃত্যুবৰণ কৰিছিল, যেতিয়া লাখ লাখ মানুহে শ্বিৰক আৰু মূৰ্তি পূজাক এৰি একত্ববাদৰ বাট অৱলম্ব কৰিছিল। আমাৰ নবী কৰিম (ছাঃ)আধ্যাত্মিকতা প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত দ্বিতীয় আদম আছিল, বৰঞ্চ প্ৰকৃত আদম সেইজনেই

আছিল যাৰ জৰিয়তে সকলো গুণ সিদ্ধতাত উপনীত হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, পৰিতাপ, আজি উম্মতে মহম্মদীয়া একত্ববাদৰ সন্মান পাহৰি গৈ আছে, যাৰ প্ৰতি আঁহজৰত (ছাঃ)য়ে আমাক মনোযোগ আকৰ্ষণ কৰিছিল। এক খোদাক পাহৰি যোৱাৰ ফলত আল্লাহ তা'লাৰ বৈশিষ্ট্যসমূহৰ ওপৰত নিখুঁত বিশ্বাসো কমি গৈছে, যিটো এজন মুছলমানৰ বৈশিষ্ট্য হোৱা উচিত। এনে সময়ত আঁহজৰত (ছাঃ)ৰ সত্য দাসৰ অনুগামী সকলৰ কাম এইটো যে তেওঁলোকে একত্ববাদক ভালদৰে বুজি নিজৰ মাজত বিশুদ্ধ পৰিৰৰ্তন সৃষ্টি কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, এইটো হৈছে উপাসনা কৰাৰ বিশেষ মাহ। ৰমজান মাহত বিশেষকৈ ইয়াৰ বাবে চেষ্টা আৰু দোৱা কৰা উচিত। আঁহজৰত (ছাঃ)য়ে নিজৰ গোটেই জীৱন যিদৰে তৌহিদ প্ৰতিষ্ঠাৰ বাবে চেষ্টা কৰিছিল যদি আমি তেখেত (ছাঃ)ৰ সৈতে ভালপোৱাৰ দাবী কৰো, তেন্তে আমি ইয়াৰ বাবে বিশেষকৈ প্ৰচেষ্টা কৰিব লাগিব।

হজৰত মুচলহে মাওউদ (ৰাঃ)য়ে কৈছে যে কোৰআন কৰিমত আল্লাহ তা'লাই ৰছুলে কৰিম (ছাঃ)ক কৈছে, হে মহম্মদ (ছাঃ)! তুমি পৃথিৱীৰ প্ৰান্তে প্ৰান্তে থকা লোকসকলক সতৰ্ক কৰা, প্ৰথমে নিজৰ আত্মীয়সকলক সতৰ্ক কৰা, কাৰণ তেওঁলোকৰ ওপৰত তোমাৰ দ্বিগুণ অধিকাৰ আছে। অৰ্থাৎ মহম্মদ (ছাঃ)য়ে আল্লাহৰ আদেশ মানি মক্কাৰ প্ৰথা অনুসৰি চাফা পাহাৰৰ প্ৰান্তত থিয় হৈ বিভিন্ন জাতিৰ নাম লৈ আহ্বান কৰিছিল। মক্কাবাসীয়ে যেতিয়া তাত একত্ৰিত হৈছিল, তেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল, চাওক, যদি মই তোমালোকক কওঁ যে এই পাহাৰৰ পিছফালে বৃহৎ পৰিমাণৰ সেনা একগোট হৈ আছে, যিসকলে তোমালোকৰ ওপৰত আক্ৰমণ কৰিব বিচাৰে, এনে ক্ষেত্ৰত তোমালোকে মোৰ কথা মানিবা নে ? তেওঁলোকে কৈছিল, আমি আপোনাৰ কথা কিয় নেমানিম ? আমি আপোনাক সদায় নিষ্ঠাবান, অৰ্থাৎ সত্যবাদী পাইছো। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে কৈছিল, হে লোকসকল শুনক ! মই তোমালোকক এটা গুৰুত্বপূৰ্ণ শুভ সংবাদ দিও যে মোক আল্লাহৰ পক্ষৰ পৰা ৰছুল হিচাপে প্ৰেৰণ কৰা হৈছে, যদি তোমালোকে আল্লাহৰ শাস্তিৰ পৰা ৰক্ষা পাব বিচৰা, তেন্তে মোৰ আনুগত্য স্বীকাৰ কৰা। তেখেত (ছাঃ)য়ে এয়া কোৱাৰ ফলত আবু লাহাবে উত্তেজিত হৈ কৈছিল, নাউজুবিল্লাহ, তোমাৰ ওপৰত বিপদ নামি আহক, ইয়াৰ বাবেই আমাক একত্ৰিত কৰিছানে ? ইয়াৰ পিছত আন আন লোকসকলে হাঁহি উপহাস কৰি তাৰ পৰা গুচি গৈছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, এজন নবী বা ৰছুল খোদাৰ ফালৰ পৰা আগমন হয়, আৰু তেখেতৰ জাতিৰ লোকসকলক যেতিয়া সতৰ্কবান, সৎ, সাহসী আৰু প্ৰগতিশীল দেখিবলৈ পায়, তেতিয়া তেওঁলোকৰ সন্দৰ্ভত আন আন জাতি আৰু সম্প্ৰদায়ৰ মাজত নিশ্চয় এক ধৰণৰ ঘৃণা আৰু ঈৰ্ষা সৃষ্টি হয়....আঁহজৰত (ছাঃ)ৰ যুগত পৌত্তলিক, ইহুদী আৰু খ্ৰীষ্টানসকলৰ বিদ্বানসকলক সত্য গ্ৰহণ কৰাৰ পৰা বঞ্চিত ৰখা হৈছিল, বৰঞ্চ তেওঁলোকে তীব্ৰ শত্ৰুতা প্ৰদৰ্শন কৰিছিল। তেওঁলোকে ইছলাম পৃথিৱীৰ পৰা নিঃশেষ কৰাৰ চিন্তাত নিমগ্ন হৈ আছিল, কাৰণ প্ৰাৰম্ভিক যুগত মুছলমানৰ সংখ্যা আছিল অতি কম। সেই বাবে বিৰোধীসকলে মুছলমান সকলৰ সৈতে অৰ্থাৎ চাহাবাসকলৰ সৈতে কঠোৰ শত্ৰুতামূলক আচৰণ কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে, অধিক বিৰোধিতা আৰু অধিক তীব্ৰ হৈ পৰিছিল, যেতিয়া ৰছুলে কৰিম (ছাঃ) আৰু তেখেত (ছাঃ)ৰ চাহাবা সকলে মক্কাবাসীৰ মাজত খোদা তা'লাৰ এই প্ৰচাৰ

আৰম্ভ কৰিছিল যে এই জগতৰ সৃষ্টিকৰ্তা খোদা এক, খোদাৰ বাহিৰে আন কোনো উপাস্য নাই। সকলো নবীয়ে তৌহিদৰ স্বীকাৰী আছিল আৰু নিজৰ জাতিৰ লোকসকলক এই শিক্ষাৰ ফালে আহ্বান কৰিছিল। গতিকে তোমালোকেও এক খোদাৰ ওপৰত বিশ্বাস স্থাপন কৰা, সেই শিলৰ প্ৰতিমা পৰিত্যাগ কৰা, কিয়নো এইবোৰ একেবাৰেই অসাৰ। তোমালোকে নেদেখা নে যে খোদা তা'লাৰ তৌহিদক পৰিত্যাগ কৰি তোমালোকৰ ধাৰণা লেতেৰা আৰু হৃদয় অন্ধকাৰ হৈ পৰিছে। তোমালোকৰ মাজত বৈধ আৰু অবৈধৰ মাজত প্ৰাৰ্থক্য কৰাটো নাইকিয়া হৈ পৰিছে, ভাল-বেয়াৰ মাজত পাৰ্থক্য কৰিব পৰা নাই। তোমালোকে নিজৰ মাতৃক অসন্মান কৰা, নিজৰ ভনী আৰু ছোৱালীসকলৰ ওপৰত অত্যাচাৰ কৰা, তেওঁলোকৰ অধিকাৰ আদায় নকৰা। নিজৰ পত্নীৰ সৈতে আচৰণ ভাল নকৰা, অনাথ সকলৰ অধিকাৰ খৰ্ব কৰা, বিধৱাসকলৰ সৈতে বেয়া আচৰণ কৰা। তেখেতে কৈছিল যে খোদাৰ নৈকট্য লাভ কৰিবলৈ হ'লে সকলোৰে অধিকাৰ আদায় কৰাৰ পদ্ধতি অৱলম্বন কৰিব লাগিব। মহিলাসকলক সন্মান কৰি তেওঁলোকৰ অধিকাৰ আদায় কৰিব, এতীম সকলক আল্লাহ তা'লাৰ আমানত বুলি ভাৱিব, তেওঁলোকৰ যত্ন লোৱাটোৱে উচ্চ পৰ্যায়ৰ পুণ্য বুলি গণ্য কৰা। বিধৱাসকলৰ সহায়ক হোৱা, কেৱল ন্যায় আৰু ন্যায়পৰায়ণতাই যথেষ্ট নহয়, বৰঞ্চ দয়া আৰু অনুগ্ৰহৰ পথ অৱলম্বন কৰিব। যেতিয়া মক্কাৰ লোকসকলৰ ইছলামৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পাইছিল, তেতিয়া মক্কাৰ চৰ্দাৰসকলে এদিনাখন একগোট হৈ আবু তালিবৰ ওচৰলৈ গৈ কৈছিল যে আপুনি আমাৰ নেতা, আপোনাৰ স্বাৰ্থত আমি মহম্মদ (ছাঃ)ক একোৱেই নকও, এতিয়া আপোনাৰ সৈতে আমাৰ চূড়ান্ত সিদ্ধান্ত লোৱাৰ সময় আহি পৰিছে। আপুনি তেওঁক বুজাওক আৰু কওক যে শেষত তেওঁ আমাৰ পৰা কি বিচাৰে ? যদি তেওঁৰ সন্মান লাভ কৰিবলৈ ইচ্ছা, সম্পত্তি লাভ কৰিবলৈ ইচ্ছা, আমি সেয়া দিয়াৰ বাবে প্ৰস্তুত আছো। যদি তেওঁ বিয়া পাতিবলৈ ইচ্ছুক, তেন্তে মক্কাৰ আটাইতকৈ অধিক পছন্দ হোৱা ছোৱালীজনীক আমি তেওঁৰ সৈতে বিয়া পাতিবলৈ প্ৰস্তুত আছো। আমি কেৱল এইটো বিচাৰো যে তেওঁ আমাৰ মূৰ্তিবোৰক বেয়াকৈ কোৱাটো এৰি দিয়ক। যদি তেওঁ আমাৰ প্ৰস্তাৱসমূহ নামানে তেন্তে দুটা সিদ্ধান্তৰ মাজত এটা সিদ্ধান্ত মানিব লাগিব, হয়, আপুনি নিজৰ ভতিজাক এৰিব লাগিব নতুবা জাতিয়ে আপোনাক নেতা বুলি অস্বীকাৰ কৰিব।

আবু তালিবে ৰছুলে কৰিম (ছাঃ)ক মাতি আনি কৈছিল, হে মোৰ ভাতিজা! মোৰ জাতিয়ে মোৰ ওচৰত এই পয়গাম লৈ আহিছে। তেখেত (ছাঃ)য়ে কৈছিল, হে মোৰ খুৰা! মই আপোনাক আপোনাৰ জাতিক এৰি দি মোৰ লগ দিবলৈ নকও। কিন্তু মই এক খোদাৰ শপত লৈ কওঁ যদি মোৰ সোঁহাতে সূৰ্য আৰু বাওঁহাতে চন্দ্ৰ ৰাখি দিয়ে, তথাপি খোদা তা'লাৰ একত্ববাদ বিস্তাৰ কৰাৰ পৰা বিৰত নাথাকিম। খোদাই মোক মৃত্যু দিয়ালৈকে মই এই কাম অব্যাহত ৰাখিম। নিষ্ঠাৰে পৰিপূৰ্ণ এই উত্তৰে আবু তালিবৰ চকু খুলিবলৈ যথেষ্ট আছিল। আবু তালিবে কৈছিল, হে মোৰ ভাতিজা! তুমি যোৱা আৰু নিজৰ কৰ্তব্য পালন কৰা। জাতিয়ে যদি মোক পৰিত্যাগ কৰে তেন্তে কৰক, মই তোমাক পৰিত্যাগ নকৰো।

তৌহিদ প্ৰতিষ্ঠা কৰিবলৈ আঁহজৰত (ছাঃ)আৰু চাহাবাসকলে মক্কাৰ সকলো ধৰণৰ অত্যাচাৰ আৰু নিৰ্যাতন সহ্য কৰিছিল। মক্কাৰ কাফিৰসকলৰ দৰে আজি যি জাতিৰসমূহৰ মাজত এইবোৰ বেয়া দেখা যায়, ইয়াৰ একমাত্ৰ কাৰণ হৈছে তৌহিদৰ পৰা আঁতৰি যোৱা, আমাৰ কাম হৈছে তৌহিদৰ ঘোষণা কৰি থকা, যেতিয়া তৌহিদৰ পয়গাম বিস্তাৰ কৰিব, তেতিয়া নিজৰ আধ্যাত্মিক আৰু নৈতিক অৱস্থাতো স্পষ্টভাৱে পৰিৱৰ্ৰ্তন আনিবলৈ চেষ্টা কৰা। আল্লাহ তা'লা আমাক ইয়াৰ সৌভাগ্য দান কৰক।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 27 FEB 2026**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB